# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 21-01-2026
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰণত।

২। বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত অংশ লোৱাৰ আপাহতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ব্যৱসায়িক গোটৰ প্ৰতিনিধিৰ সৈতে বৈঠক।

৩। ৰাজ্য চৰকাৰৰ তিনিখন জিলাত তিনিটা নতুন জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় স্থাপনত অনুমোদন। *আৰু*

৪। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ গোৱালপাৰা জিলাত তিনিখন শিক্ষানুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ।

ooooo

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰৰ পৰিস্থিতি ক্ৰমাৎ নিয়ন্ত্ৰণলৈ আহিছে। জিলাখনত যোৱা ২৪ ঘণ্টাত নতুনকৈ কোনো হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ বাতৰি অহা নাই। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ আইন-শৃংখলা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ো আজি জিলাখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ভুৱা তথ্য আৰু উৰা বাতৰি প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে জনসাধাৰণক প্ৰশাসন আৰু সুৰক্ষা বাহিনীক পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈও আহ্বান জনায়।

আস্থা গঢ়াৰ আৰু সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে আজি পুৱাৰ ভাগত কাৰিগাঁও আৰক্ষী চকীৰ অধীনৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰ দিশৰ স্পৰ্শকাতৰ এলেকাসমূহত সেনা, দ্ৰুত কাৰ্যবাহিনী, চি আৰ পি এফ, অসম আৰক্ষী আৰু জিলা প্ৰশাসনৰ বিষয়াসকলে যৌথভাৱে ফ্লেগমাৰ্চ কৰে। জিলা আয়ুক্ত পংকজ চৌধুৰীয়ে অঞ্চলটোৰ সামগ্ৰিক পৰিস্থিতি ক্ৰমাৎ উন্নত হ'ব ধৰিছে। তেওঁ কয়, যে জিলাখনত সৃষ্টি হোৱা শেহতীয়া অশান্ত পৰিস্থিতিৰ বলি হোৱা লোকসকলৰ বাবে জিলাখনত স্থাপন হোৱা দুটা সাহায্য শিবিৰত এহেজাৰ দুশৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলা আয়ুক্তগৰাকীয়ে লগতে অঞ্চলটোত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে আজি বিয়লি তিনি বজাত বিভিন্ন সংগঠনৰ নেতা, ভিন ভিন সম্প্ৰদায়ৰ নেতৃস্থানীয় লোক

আৰু সংশ্লিষ্ট পক্ষসমূহৰ এখন বৈঠকৰ আহ্বান কৰা হৈছে বুলি কয়। কৰ্তৃপক্ষই সকলোকে ধৈৰ্য্য ধৰি থাকিবলৈ, প্ৰশাসনৰ সৈতে সহযোগিতা কৰিবলৈ আৰু উৰা বাতৰি বিয়পোৱাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। বি টি এ ডিৰ আৰক্ষীৰ মহা পৰিদৰ্শক বিবেক ৰাজ সিঙেও জনসাধাৰণক উৰা বাতৰিত ভোল নাযাবলৈ আহ্বান জনাইছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষী মহা পৰিদৰ্শকগৰাকীয়ে কয়, যে অঞ্চলটোত অলপতে সংঘটিত হিংসাত্মক সংঘৰ্ষ সন্দৰ্ভত বৰ্তমানলৈকে ১৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু তেওঁলোকক আজি ন্যায়ালয়ত হাজিৰ কৰা হ'ব। তেওঁ লগতে কালিৰ ঘটনা সন্দৰ্ভত তিনিজন লোকক গ্ৰেপ্তাৰ কৰা বুলি জানিবলৈ দিয়ে।

জিলাখনৰ স্পৰ্শকাতৰ এলেকাসমূহত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে।

ooooo

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত দেশৰ অন্যতম প্ৰতিনিধিৰূপে উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়। গোটটোৱে বায়'চাৰ, পুনৰ উৎপাদনশীল কৃষি আৰু বনানীকৰণৰ জৰিয়তে এশ কোটি টন কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ লক্ষ্যৰে কাম কৰি আছে। ৰাজ্য চৰকাৰে গোটটোক অসমত অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ কথা চিন্তা চৰ্চা কৰি থকা বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে।

ooooo

অসম চৰকাৰে ৰাজ্যখনৰ তিনিখন জিলাত নতুন তিনিটা জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয় মুকলিত অনুমোদন জনাইছে। ৰাজ্যপালে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি তামুলপুৰ, বজালী আৰু পশ্চিম কাৰ্বি আংলং জিলাত এই নতুন পৰিবহণ বিষয়াৰ কাৰ্যালয়কেইটাৰ কাম-কাজ আৰম্ভ হ'ব। সেই অনুসৰি তামুলপুৰ জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনৰ বাবে AS-35, বজালী জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনসমূহৰ বাবে AS-36 আৰু পশ্চিম কাৰ্বি আংলং জিলাত পঞ্জীয়ন হ'বলগীয়া যান-বাহনসমূহৰ বাবে AS-37 শৃংখলা আৱণ্টন দিয়া হৈছে। ইয়াকে ধৰি ৰাজ্যখনত মুঠ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সংখ্যা ৩৫ লৈ বৃদ্ধি পালে। উল্লেখযোগ্য যে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ যানবাহনসমূহক AS-20 আৰু অসম আৰক্ষীৰ যান-বাহনসমূহক AS-30 শৃংখলাত পঞ্জীয়ন কৰা হয়।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাত তিনিখন শিক্ষানুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ আমজোঙাৰ পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া জনজাতি ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে নতুনকৈ স্বায়ত্তশাসিত মৰ্যাদা লাভ কৰা দুধনৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰি মহাবিদ্যালয়খনতো এটা জনজাতি ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰে। ডা০ পেগুৱে ১৯২৫ চনতে স্থাপিত

জিলাখনৰ নিচানগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়—

**বাইট (ৰণোজ পেগু)**

০০০০০

গৱেষক শিক্ষাৰ্থীসকলৰ সহায়ক হোৱাকৈ জীৱন অনুপ্ৰেৰণা আঁচনিৰ সাহায্যৰাশি অহা ১১ ফেব্ৰুৱাৰীৰ পৰা বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষাৰ্থীসকলে গৱেষণা সুচাৰুৰূপে চলাই ৰাজ্যৰ শৈক্ষিক উত্তৰণৰ একো একোজন অগ্ৰণী সেনানি হোৱাত উৎসাহ যোগোৱাৰ উদ্দেশ্যে এই আঁচনিখন গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ অধীনত গৱেষক শিক্ষাৰ্থীসকললৈ ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষক ছাত্ৰ-ছাত্ৰীসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত কাইলৈৰ পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। কাইলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। কাইলৈ পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। পৰহিলৈ  কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০

অসমত আনুমানিক ৪ লাখ ৮৬ হাজাৰ ৬৯৮ কোটি টকা বিনিয়োগেৰে ১১১ টা আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ হৈ আছে। সক্ৰিয় প্ৰশাসন আৰু সময় নিৰ্ধাৰিত ৰূপায়ণ অৰ্থাৎ প্ৰগতি শীৰ্ষক কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যসূচীৰ অধীনৰ পি এম জি পোৰ্টেলত এই তথ্য প্ৰকাশ কৰা হৈছে। ৰে'লৱে, পথ আৰু ঘাইপথ, শক্তি উৎপাদন আৰু বিতৰণ, তেল আৰু গেছ, স্বাস্থ্য সেৱা, আৱৰ্জনা আৰু জল ব্যৱস্থাপনাকে ধৰি বিভিন্ন খণ্ডত এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সক্ৰিয় ভূমিকা লৈছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে। ১১১টা প্ৰকল্পৰ ভিতৰত ৮১ হাজাৰ ৮৭১ কোটি টকা ব্যয়সাপেক্ষ ৪৬টা প্ৰকল্প ইতিমধ্যে ৰূপায়ণ কৰা হৈছে আৰু ৬৫টা ৰূপায়ণৰ কাম চলি আছে। ৰে'ল আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্যখনত ৪৫ হাজাৰ ৭৯৩ কোটি টকা ব্যয় সাপেক্ষ ১৫টা প্ৰকল্প ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ইয়াৰে ২৬ হাজাৰ ২৫৭ কোটি টকা ব্যয়সাপেক্ষ সাতটা প্ৰকল্প ৰূপায়ণ কৰা হৈছে আৰু

১৯ হাজাৰ ৫৩৫ কোটি টকা ব্যয়সাপেক্ষ ৮টা প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে বুলি পোৰ্টেলটোত উল্লেখ কৰা হৈছে।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত ৰাউণ্ডৰ খেলসমূহ আজিৰে পৰা অসমত অনুষ্ঠিত হৈছে। চিলাপথাৰত আজি প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠান দিনৰ ১১ বজাত অনুষ্ঠিত হয়। এইবাৰ সপ্তমবাৰৰ বাবে চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অসম প্ৰথমখন খেলত তামিলনাডুৰ  হাতত ১-০ গলত পৰাজিত হয়। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে।

উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত দেশৰ ১২টা দলে অংশগ্ৰহণ কৰিছে। ছটা ছটাকৈ দুটা গোটত ভাগ কৰা, পশ্চিমবংগ, অসম, নাগালেণ্ড, ৰাজস্থান, উত্তৰাখণ্ড আৰু তামিলনাডুক গ্ৰুপ-এত আৰু ৰে'লৱেছ, ছাৰ্ভিচেছ, কেৰালা, পঞ্জাব, মেঘালয় আৰু ওড়িশাক গ্ৰুপ-বিত ৰখা হৈছে। ফিফা প্লাছ মঞ্চৰ জৰিয়তে প্ৰতিযোগিতাৰ সকলো খেল পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব। নকআউট পৰ্যায়ৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা শীৰ্ষ চাৰিটা দল অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ৫ ফেব্ৰুৱাৰীত ছেমি ফাইনেল খেল দুখন আৰু ৮ ফেব্ৰুৱাৰীত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত